REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI

0000000000

Date : 19-09-2024
Time : 18-45 Hrs.

Assamese Evening Bulletin

১। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ ভাৰ্চুৱেল ব্যৱস্থাৰে তৃতীয় পৰ্যায়ৰ অৰুণোদয় আঁচনি মুকলি। এই আঁচনিয়ে ৰাজ্যৰ ৩৭ লাখ পৰিয়ালে প্ৰতিমাহে এহেজাৰ ২৫০ টকাকৈ সাহায্য লাভ কৰাটো নিশ্চিত কৰিব বুলি মুখ্যমন্ত্ৰীৰ ঘোষণা।

২। ৰাজ্যত আজিৰে পৰা পুনৰ ১৯ লাখতকৈও অধিক লোকক ৰেচন কাৰ্ড প্ৰদানৰ ব্যৱস্থা। বিগত সময়ত ৪২ লাখতকৈও অধিক প্ৰকৃত হিতাধিকাৰীক ৰেচন কাৰ্ড প্ৰদান কৰা হৈছে বুলি মন্ত্ৰী ৰণজিৎ কুমাৰ দাসৰ প্ৰকাশ।

৩। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ তৃতীয় কাৰ্যকালৰ এশ দিন পূৰ হোৱাত চৰকাৰক জনসাধাণৰ কাষ চপোৱাৰ লগতে নাগৰিকক প্ৰশাসনীয় ব্যৱস্থা সক্ৰিয় অংশগ্ৰহণকাৰী কৰি তুলিবলৈ **নাগৰিক প্ৰথম পন্থাৰে প্ৰশাসন** ব্যৱস্থা গ্ৰহণ।

আৰু

৪। বাংগালুৰুৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত বাংলাদেশৰ বিৰুদ্ধে অনুষ্ঠিত দুখনীয়া টেষ্ট ক্ৰিকেট শৃংখলাৰ প্ৰথম দিনৰ খেলৰ অন্তত ভাৰতৰ ৩৩৯ ৰান সংগ্ৰহ।

০০০০

ৰাজ্যত মহিলা সৱলীকৰণৰ দিশত গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে আজি অৰুণোদয় আঁচনিৰ তৃতীয় পৰ্যায় মুকলি কৰা হয়। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই দিছপুৰ জনতা ভৱনৰ পৰা ভাৰ্চুৱেল ব্যৱস্থাৰে তৃতীয় পৰ্যায়ৰ অৰুণোদয় আঁচনি মুকলি কৰি কয় যে, ৰাজ্যৰ ৩৭ লাখ পৰিয়ালে প্ৰতিমাহে এহেজাৰ ২৫০ টকাকৈ সাহায্য লাভ কৰাটো নিশ্চিত কৰিবলৈ ১২৬টা বিধানসভা সমষ্টিৰ মহিলাসকলৰ সৈতে আজি এই যাত্ৰা আৰম্ভ কৰা হয়। মুখ্যমন্ত্ৰীয়ে অহা কেইসপ্তাহমানৰ ভিতৰতে এই অভিলাষী আঁচনিৰ অধীনত ১২ লাখ হিতাধিকাৰীৰ নাম সন্নিবিষ্ট কৰা হ'ব বুলি উল্লেখ কৰে। এই আঁচনিৰ বাবে বিধবা, ৪৫ বছৰ বয়সৰ ঊৰ্ধবৰ অবিবাহিতা, বিবাহ বিচ্ছেদিত আৰু অকলশৰীয়া মহিলাৰ লগতে তৃতীয় লিংগ, দিব্যাংগ, চৰকাৰী পঞ্জীয়নভুক্ত বৃদ্ধাশ্ৰমত থকা মহিলা তথা বয়োজ্যেষ্ঠ বা ৰুগীয়া মহিলা, আশ্ৰয়হীন পৰিয়ালৰ মহিলা, মগনীয়া, অন্ত্যোদয়া অন্ন যোজনাৰ মহিলা হিতাধিকাৰী, বাৰ্ষিক উপাৰ্জন ২ লাখ টকাতকৈ কম হোৱা পৰিয়ালৰ মহিলা, এইছ আই ভি, থেলাছেমিয়া আদিত আক্ৰান্ত ৰোগী থকা পৰিয়ালৰ মহিলা আৰু পৰিয়ালৰ উপাৰ্জনক্ষম ব্যক্তিগৰাকী ৬০ বছৰ ঊৰ্ধবৰ অথবা দিব্যাংগ হ'লে তেনে ঘৰৰ মহিলাই আবেদন কৰিব পাৰিব।

তিনিচুকীয়াৰ মানৱ কল্যাণ ভৱনত অনুষ্ঠিত অনুষ্ঠানত ৰাজ্যৰ শ্ৰম আৰু চাহ শ্ৰমিক কল্যাণ বিভাগৰ মন্ত্ৰী সঞ্জয় কিষাণে মুখ্য অতিথি হিচাপে উপস্থিত থাকি কয় যে, যিসকলে ইতিপূৰ্বে অৰুণোদয় আঁচনিৰ সুবিধা লাভ কৰিছে তেওঁলোকেও নতুনকৈ আবেদন দাখিল কৰিব লাগিব। কোনো যোগ্য লোক যাতে এই আঁচনিৰ সুবিধা লাভৰ পৰা বঞ্চিত নহয় এই কথা নিশ্চিত কৰিবৰ বাবে তেওঁ ৰাইজক আহ্বান জনায়।

চৰাইদেউ জিলাৰ জজলী পাঁচআলিৰ ৰাজহুৱা প্ৰেক্ষাগৃহত অৰুণোদয় আঁচনিৰ শুভাৰম্ভণি অনুষ্ঠানত অংশগ্ৰহণ কৰি ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা আদি বিভাগৰ মন্ত্ৰী যোগেন মহনে এই আঁচনিয়ে ৰাজ্যৰ আৰ্থিকভাৱে পিছপৰা লোকসকলক স্বাৱলম্বিতা প্ৰদানৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে বুলি মন্তব্য কৰে। সোণাৰিৰ ৰাজহুৱা খেলপথাৰত অনুষ্ঠিত সভাত অংশগ্ৰহণ কৰি বিধায়ক ধৰ্মেশ্বৰ কোঁৱৰে কয় যে, এই আঁচনিয়ে সমগ্ৰ ৰাজ্যতে মহিলা সৱলীকৰণৰ দিশত অৰিহনা যোগাইছে।

শোণিতপুৰ জিলাৰ ঢেকীয়াজুলিত মন্ত্ৰী অশোক সিংঘল, বৰছলাত বিধায়ক গণেশ কুমাৰ লিম্বু, তেজপুৰত বিধায়ক পৃথ্বীৰাজ ৰাভা, ৰঙাপৰাত বিধায়ক কৃষ্ণ কমল তাঁতী আৰু ন-দুৱাৰত বিধায়ক পদ্ম হাজৰিকাই অৰুণোদয় আঁচনিৰ আৰম্ভণি অনুষ্ঠানত অংশগ্ৰহণ কৰে।

মাজুলীৰ উত্তৰ কমলাবাৰী সত্ৰৰ মুকলি মঞ্চত বিধানসভা পৰ্যায়ত অনুষ্ঠিত অৰুণোদয় আঁচনিৰ উদ্বোধনী অনুষ্ঠানত বিধায়ক ভূৱন গামে অংশ লয়।

অৰুণোদয় আঁচনিৰ আনুষ্ঠানিক উদ্বোধনৰ লগত সংগতি ৰাখি আজি যোৰহাট জিলাৰ আটাইকেইটা বিধানসভা সমষ্টিতে সভা আয়োজন কৰা হয়।

লখিমপুৰতো অৰুণোদয় আঁচনি তৃতীয় পৰ্যায়ৰ পোনপটীয়া সম্প্ৰচাৰৰ ব্যৱস্থা কৰা হয়।

বোকাখাটৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত আয়োজিত সভাত উপস্থিত থাকি মন্ত্ৰী অতুল বৰাই আঁচনিখন ৰাইজৰ বাবে সমৰ্পণ কৰে আৰু ইয়াৰ উপকাৰিতাৰ হিতাধিকাৰীসকলৰ অৱগত কৰে।

ধুবুৰী জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত অৰুণোদয় আঁচনিৰ তৃতীয় পৰ্যায়ৰ উদ্বোধনী অনুষ্ঠানৰ পোনপটীয়া সম্প্ৰচাৰ কৰা হয়। এই উপলক্ষে আয়োজিত অনুষ্ঠানত বিধায়ক নজৰুল ইছলাম উপস্থিত থাকে।

বাক্সা জিলাৰ শালবাৰীত আজি ৰাজ্যসভাৰ সাংসদ ৰণগৌৰা নাৰ্জাৰীকে ধৰি কেইবাজনো বিশিষ্ট ব্যক্তিৰ উপস্থিতিত তৃতীয় পৰ্যায়ৰ অৰুণোদয় আঁচনি মুকলি কৰা হয়।

বৰপেটা বিধানসভা সমষ্টিত বিধায়ক আব্দুৰ ৰহিম আহমেদৰ উপস্থিতিত অৰুণোদয় আঁচনি তৃতীয় পৰ্যায়ৰ আৰম্ভণি কৰা হয়।

তামুলপুৰত এই আঁচনিৰ শুভাৰম্ভণি অনুষ্ঠানত বিধায়ক জলেন দৈমাৰীকে ধৰি জিলা আয়ুক্ত, আৰক্ষী অধীক্ষক, বিটিআৰৰ পাৰিষদ হেমন্ত কুমাৰ ৰাভা আদি কেইবাজনো বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে।

জল সম্পদ মন্ত্ৰী পীযূষ হাজৰিকাই আজি জাগীৰোডত অৰুণোদয় আঁচনি তৃতীয় পৰ্যায়ৰ শুভাৰম্ভ কৰে।

ইপিনে অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে ওদালগুৰি জিলাৰ নৱগঠিত ভেৰগাঁও বিধানসভা সমষ্টিৰ অন্তৰ্গত খৈৰাবাৰীত অৰুণোদয় আঁচনিৰ তৃতীয় পৰ্যায় আৰু ৰেচন কাৰ্ড প্ৰদানৰ শুভাৰম্ভণি অনুষ্ঠানত উপস্থিত থাকে।

চিৰাং জিলাৰ কাজলগাঁও সামূহিক গৃহত আজি অৰুণোদয় আঁচনিৰ উদ্বোধনী অনুষ্ঠানত কোকৰাঝাৰ লোকসভাৰ সাংসদ জয়ন্ত বসুমতাৰী উপস্থিত থাকে। ইপিনে বিটিআৰ প্ৰধান প্ৰমোদ বড়োৱে কোকৰাঝাৰৰ কাছিয়াবাৰী খেলপথাৰত একে অনুষ্ঠানত অংশ লয়।

বঙাইগাঁও জিলাত এই আঁচনিৰ উদ্বোধনী অনুষ্ঠানত সাংসদ ফণীভূষণ চৌধুৰীকে ধৰি বহু বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে।

কৰিমগঞ্জ জিলাৰ ৰাটাবাৰীত বিধায়ক বিজয় মালাকাৰে এই অনুষ্ঠানৰ পোনপটীয়া সম্প্ৰচাৰত অংশ লয়।

ইপিনে ৰাজ্যত আজিৰে পৰা পুনৰ ১৯ লাখতকৈও অধিক লোকক ৰেচন কাৰ্ড প্ৰদানৰ ব্যৱস্থা কৰা হৈছে। মুখ্যমন্ত্ৰীয়ে ভাৰ্চুৱেল ব্যৱস্থাৰে এই অনুষ্ঠানৰ উদ্বোধন কৰে। এই উপলক্ষে পাঠশালাত আয়োজিত অনুষ্ঠানত আজি খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে আনুষ্ঠানিকভাৱে হিতাধিকাৰীসকলক প্ৰদান কৰে। বিভাগীয় মন্ত্ৰীগৰাকীয়ে ৰেচন কাৰ্ড প্ৰদানৰ সমগ্ৰ ব্যৱস্থাটোত আলোকপাত কৰি কয় যে, ৫৫ লাখতকৈ অধিক ভুৱা ৰেচন কাৰ্ড বাতিল কৰাটো হিমন্ত বিশ্ব শৰ্মা চৰকাৰৰ উল্লেখনীয় সফলতা। বিগত সময়ত ৪২ লাখতকৈও অধিক প্ৰকৃত হিতাধিকাৰীক ৰেচন কাৰ্ড প্ৰদান কৰা হৈছে বুলি উল্লেখ কৰি শ্ৰী দাসে কয় যে, পৰৱৰ্তী কেবিনেটত ১৯ লাখ ৯২ হাজাৰ ১৬৭ গৰাকী হিতাধিকাৰীক ৰেচন কাৰ্ড প্ৰদানৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে।

নগাঁও জিলাৰ কলিয়াবৰ বিধানসভা সমষ্টিৰ অন্তৰ্গত কুঁৱৰীটোলত মন্ত্ৰী কেশৱ মহন্তই স্থানীয় নতুন হিতাধিকাৰীসকলক ৰেচন কাৰ্ড প্ৰদানৰ অনুষ্ঠানত অংশগ্ৰহণ কৰে।

০০০০

কেন্দ্ৰীয় চৰকাৰে দেশৰ উদ্ভাৱন, বহনক্ষমতা আৰু খাদ্য সুৰক্ষাৰ ক্ষেত্ৰত গোলকীয় মান নিৰ্ধাৰণৰ বাবে বদ্ধপৰিকৰ বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে। নতুন দিল্লীত ৪ দিনীয়াকৈ অনুষ্ঠিত ৱৰ্ল্ড ফুড ইণ্ডিয়া ২০২৪ ৰ উদ্বোধনী অনুষ্ঠানত ভিডিঅ' বাৰ্তাযোগে প্ৰধানমন্ত্ৰীয়ে আজি এই বিষয়ে প্ৰকাশ কৰে। তেওঁ কয় যে, ভাৰতৰ বিচিত্ৰ আৰু সমৃদ্ধ খাদ্য সংস্কৃতি আছে আৰু দেশৰ কৃষকসকল খাদ্য ব্যৱস্থাৰ মেৰুদণ্ডস্বৰূপ। তেওঁ কয়

যে চৰকাৰে কৃষকসকলক উদ্ভাৱনমূলক নীতি আৰু গুৰুত্ব সহকাৰে আঁচনি ৰূপায়ণৰ দ্বাৰা সহায় কৰি আহিছে। প্ৰগতিশীল কৃষি পদ্ধতিৰ গুৰুত্বৰ ওপৰত আলোকপাত কৰি শ্ৰীমোদীয়ে কয় যে, শক্তিশালী প্ৰশাসনীয় পৰিকাথামো আৰু নতুন প্ৰযুক্তিৰ সহায়ত ভাৰতে খাদ্য প্ৰসংস্কৰণৰ ক্ষেত্ৰত ব্যাপক সংস্কাৰ আৰু ৰূপান্তৰ সাধন কৰিছে। কেন্দ্ৰীয় চৰকাৰে আধুনিক আন্তগাথনিৰ ক্ষেত্ৰত শক্তিশালী পৰিস্থিতিতন্ত্ৰ গঢ়ি তোলাৰ লগতে দেশত কৰ্ম সংস্থাপন সৃষ্টিৰ লক্ষ্যৰে যোগান শৃংখলা সৃষ্টি কৰিছে বুলিও তেও উল্লেখ কৰে। তেওঁ কয় যে খাদ্য প্ৰসংস্কৰণৰ ক্ষেত্ৰত এশ শতাংশ প্ৰত্যক্ষ বিদেশী বিনিয়োগ সম্ভৱ হৈছে। প্ৰধানমন্ত্ৰী কিষাণ সম্পদা যোজনাৰ দৰে আঁচনিসমূহৰ বিষয়ে উল্লেখ কৰি তেঁও কয় যে, চৰকাৰে কৃষকসকলৰ লগতে ক্ষুদ্ৰ উদ্যোগসমূহক শক্তিশালী কৰাৰ বাবেও প্ৰচেষ্টা অব্যাহত ৰাখিছে। ৱৰ্ল্ড ফুড ইণ্ডিয়া ২০২৪ ৰ অনুষ্ঠানত বিভিন্ন ৰাষ্ট্ৰৰ অংশগ্ৰহণৰ প্ৰসংগত তেঁও কয় যে, সমগ্ৰ বিশ্বৰ সৈতে একেলগে কাম কৰাৰ বাবে এয়া এখন আদৰ্শ মঞ্চ হিচাপে পৰিগণিত হৈছে। তেঁও লগতে এই অনুষ্ঠানত খাদ্য সুৰক্ষা, খাদ্যৰ মান আৰু উত্তম খাদ্যভ্যাস সন্দৰ্ভত এই অনুষ্ঠানত আলোচনা অনুষ্ঠিত হ'ব বুলি আশা প্ৰকাশ কৰে। আজিৰ অনুষ্ঠানত কেন্দ্ৰীয় গ্ৰাহক পৰিক্ৰমা, খাদ্য আৰু ৰাজহুৱা বিতৰণ মন্ত্ৰী প্ৰহ্লাদ যোশী আৰু খাদ্য প্ৰসংস্কৰণ উদ্যোগত মন্ত্ৰী চিৰাগ পাছোৱানে অংশগ্ৰহণ কৰে।

০০০০

উত্তৰ কাছাৰ স্বায়ত্ত শাসিত পৰিষদে আজি পৰিষদৰ অধীনৰ বিভিন্ন বিভাগত নিযুক্তি লাভ কৰা ৮৭৪ গৰাকী প্ৰাৰ্থীক নিযুক্তিপত্ৰ বিতৰণ কৰে। পৰিষদৰ এই পদক্ষেপ ৰাজহুৱা সেৱা প্ৰদান ব্যৱস্থা ত্বৰান্বিত কৰাৰ লগতে স্থানীয় পৰ্যায়ত উন্নয়নৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ হিচাপে বিবেচিত হৈছে। এই অনুষ্ঠানতে নাৰ্ছাৰী আৰু প্ৰথম শ্ৰেণীৰ বাবে পৰিষদে ডিমাচা মাধ্যমৰ পাঠ্যপুথি বিতৰণৰ শুভাৰম্ভ কৰে। ৰাষ্ট্ৰীয় শিক্ষানীতি ২০২০ ৰ অধীনত স্থানীয় ভাষাত শিক্ষাদানৰ উৎসাহিত কৰাৰ বাবে দিয়া পৰামৰ্শ অনুসৰি এই পদক্ষেপ লোৱা হৈছে। আজিৰ অনুষ্ঠানত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য দেৱলাল গাৰ্লোচা, অধ্যক্ষ মোহিত হোজাইৰ লগতে কেইবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০

অবৈধ ট্ৰেডিঙৰ গোচৰত অভিযুক্ত জিংকি মিলিয়ে লাভ কৰা অন্তৰ্বৰ্তীকালীন জামিন নাকচ কৰাৰ বাবে ৰাজ্য চৰকাৰে গুৱাহাটী উচ্চ ন্যায়ালয়ত আবেদন দাখিল কৰিছে। ৰাজ্য চৰকাৰৰ হৈ লোক অধিবক্তা মাখন ফুকনে দাখিল কৰা আবেদনখনৰ শুনানি অহা ২৩ ছেপ্তেম্বৰত গ্ৰহণ কৰা হ'ব। অবৈধ ট্ৰেডিঙৰ লগত জড়িত থকাৰ বাবে ইতিমধ্যে গ্ৰেপ্তাৰ হোৱা চুমী বৰাৰ আত্মীয় জিংকি মিলিয়ে এই জামিন লাভ কৰাৰ পাছতে ৰাজ্য চৰকাৰে অতিৰিক্ত লোক অধিবক্তা বিদ্যুৎ বিকাশ গগৈক পদৰ পৰা অপসাৰণ কৰাৰ লগতে লোক অধিবক্তা কাৰ্যালয়ৰ তিনিজন জ্যেষ্ঠ প্ৰশাসনিক বিষয়াকো চাকৰিৰ পৰা নিলম্বন কৰা হয়। ইয়াৰ পাছতে ৰাজ্য চৰকাৰে জিংকি মিলিৰ অন্তৰ্বৰ্তীকালীন জামিন নাকচ কৰাৰ বাবে উচ্চ ন্যায়ালয়ৰ দ্বাৰস্থ হৈছে।

০০০০

কেন্দ্ৰত নৰেন্দ্ৰ মোদী চৰকাৰৰ তৃতীয়টো কাৰ্যকালৰ ১০০ দিন পূৰ হোৱাৰ সৈতে সংগতি ৰাখি বিকশিত ভাৰতৰ পথত অগ্ৰসৰ হোৱাৰ এশ দিন উপলক্ষে চৰকাৰে **নাগৰিক প্ৰথম পন্থাৰে** প্ৰশাসন ব্যৱস্থা পৰিচালনাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই প্ৰসংগত কয় যে, চৰকাৰক জনসাধাৰণৰ ওচৰ চপাই নিয়াৰ লগতে প্ৰতিগৰাকী নাগৰিকক প্ৰশাসনীয় ব্যৱস্থাৰ সক্ৰিয় অংশগ্ৰহণকাৰী হিচাপে গঢ় দিয়াৰ লক্ষ্যৰে এই ব্যৱস্থা ৰূপায়ণ কৰা হৈছে। ইয়াৰ অধীনত একীকৃত পেঞ্চন আঁচনিৰ অধীনত ২৩ লাখ কেন্দ্ৰীয় চৰকাৰৰ কৰ্মচাৰীলৈ মূল দৰমহাৰ ৫০ শতাংশ পেঞ্চন নিশ্চিত কৰা হৈছে। তদুপৰি অৱসৰপ্ৰাপ্ত প্ৰতিৰক্ষা জোৱান আৰু তেওঁলোকৰ পৰিয়ালৰ কল্যান নিশ্চিত কৰাৰ লক্ষ্যৰে এটা পদবী এটা পেঞ্চন আঁচনি সংশোধন ঘটোৱা হৈছে। কেন্দ্ৰীয় মন্ত্ৰালয় আৰু বিভাগসমূহৰ দ্বাৰা চৰকাৰী চাকৰিত ১৫ হাজাৰৰো অধিক যুৱক-যুৱতীক নিযুক্তি পত্ৰ বিতৰণ কৰা হৈছে। ইফালে শাস্তিৰ পৰিৱৰ্তে ন্যায়ৰ ওপৰত গুৰুত্ব আৰোপ কৰি ঔপনিবেশিক আইনসমূহৰ ৰূপান্তৰ ঘটাই ৩ খন নতুন ফৌজদাৰী আইন ৰূপায়ণ কৰা হৈছে। সময়োচিত আৰু বিজ্ঞান সন্মত প্ৰমাণ পৰীক্ষণৰ বাবে ২ হেজাৰ ২৫০ কোটি টকা বাজেট ধাৰ্য কৰি ৰাষ্ট্ৰীয় ফৰেনচিক আন্তঃগাঠনি বৰ্ধন আঁচনি ৰূপয়ণ কৰা হৈছে। ইপিনে, নিয়োগৰ ক্ষেত্ৰত পৰীক্ষা অনুষ্ঠিত কৰাৰ সময়ত প্ৰশ্নকাকত ফাদিল হোৱা ঘটনা ৰোধ আৰু স্বচ্ছতা নিশ্চিতকৰণৰ বাবে ৰাজহুৱা পৰীক্ষাত অনিয়ম প্ৰতিৰোধ আইন প্ৰৱৰ্তন কৰা হৈছে। এই সময়ছোৱাত ওড়িশা, ঝাৰখণ্ড, বিহাৰ, পশ্চিমবংগ আৰু অন্ধ্ৰপ্ৰদেশৰ সৰ্বাঙ্গীন উন্নয়নৰ লক্ষ্যৰে পূৰ্বোদয় পৰিকল্পনা ৰূপায়ণ কৰাৰ লগতে জৰুৰীকালিন

সময়ছোৱাত সংবিধান উলংঘনৰ ঘটনা স্মৰণ কৰি ২৫ জুনত সংবিধান হত্যা দিৱস পালন কৰা হয় বুলি প্ৰধানমন্ত্ৰীয়ে প্ৰকাশ কৰে।

০০০০

নৰেন্দ্ৰ মোদী নেতৃত্বাধীন চৰকাৰৰ এশ দিন উপলক্ষে আজি নতুন দিল্লীত আয়োজিত সন্মিলনত দিয়া ভাষণত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে চৰকাৰে বিগত এশটা দিনত গ্ৰহণ কৰা কাৰ্যসূচী সম্পৰ্কে আলোকপাত কৰে। শ্ৰীশ্বাহে কয় যে, দ্বিতীয় পৰ্যায়ৰ শ্বেতবিপ্লৱে মহিলাৰ সৱলীকৰণ, শিশুৰ পুষ্টিহীনতা ৰোধ, কৰ্মসংস্থাপন সৃষ্টি, জৈৱিক কৃষি পদ্ধতি উন্নীতকৰণ আৰু এই কৃষিৰ দ্বাৰা ভূমিৰ উৰ্বৰতা বৃদ্ধিৰ ক্ষেত্ৰত সহায় কৰিব। আনহাতে, এই অনুষ্ঠানত কেন্দ্ৰীয় মীন পালন, পশুপালন, দুগ্ধ আৰু পঞ্চায়তীৰাজ দপ্তৰৰ মন্ত্ৰী ৰাজীৱ ৰঞ্জন সিঙে কয় যে, দ্বিতীয় পৰ্যায়ৰ শ্বেতবিপ্লৱে কৃষকৰ উপাৰ্জন বৃদ্ধি কৰাৰ লগতে মহিলা সৱলীকৰণত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব।

০০০০

পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে, বিগত ৩ মাহত প্ৰধানমন্ত্ৰী উজ্জ্বলা যোজনাৰ অধীনত ৰন্ধন গেছৰ জনমুৰী ব্যৱহাৰ যথেষ্ট বৃদ্ধি পাইছে। এন ডি এ চৰকাৰৰ তৃতীয় কাৰ্যকালৰ প্ৰথম এশ দিনত গ্ৰহণ কৰা গুৰুত্বপূৰ্ণ সিদ্ধান্তসমূহৰ বিষয়ে উল্লেখ কৰি মন্ত্ৰালয়ে এই বিষয়ে প্ৰকাশ কৰে। মন্ত্ৰালয়ে কয় যে, চলিত বছৰৰ জুলাইত ভাৰতীয় তেল নিগম লিমিটেডে পৰীক্ষণ আৰু সঞ্চালনৰ বাবে ভাৰতীয় নৌসেনালৈ হাইড্ৰজেন ইন্ধন কোষ ব্যৱহাৰ কৰি বিদ্যুৎ উৎপাদন কৰা বাছ যোগান ধৰাৰ বাবে বুজাবুজিৰ চুক্তি স্বাক্ষৰ কৰিছে বুলি মন্ত্ৰালয়ে প্ৰকাশ কৰে। এই চুক্তি বহনক্ষম উন্নয়ন আৰু পৰিবেশ ব্যৱস্থাপনাৰ দিশত দেশৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে পৰিগণিত হৈছে। মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে, শেহতীয়াকৈ চৰকাৰে সংশোধিত প্ৰধানমন্ত্ৰী জৈৱ ইন্ধন পৰিবেশ অনুকুল শস্যৰ অৱশিষ্ট বিনষ্টকৰণ যোজনাত অনুমোদন জনাইছে। এই আঁচনিৰ জৰিয়তে শস্য চপোৱাৰ পাছত কৃষি পথাৰত ৰৈ যোৱা অৱশেষৰ বাবে খেতিয়কসকলক লাভজনক আয় প্ৰদানৰ লগতে পৰিবেশ প্ৰদূষণৰ সমস্যা সমাধানৰ লক্ষ্য স্থিৰ কৰা হৈছে। আঁচনিখনৰ সংশোধন কৰি উন্নত জৈৱ ইন্ধনৰ বাবে বিত্তীয় সাহায্য প্ৰদানৰো ব্যৱস্থা কৰা হৈছে। তদুপৰি প্ৰকল্প প্ৰস্তাৱসমূহৰ ক্ষেত্ৰত নতুন প্ৰযুক্তি আৰু উদ্ভাৱনত বিশেষ গুৰুত্ব আৰোপ কৰা হব বুলি আঁছনিখনত উল্লেখ কৰা হৈছে। এই আঁচনিয়ে স্থানীয়ভাৱে কৰ্মসংস্থাপনৰ সুযোগ সৃষ্টিত সহায় কৰাৰ লগতে দেশৰ শক্তি সুৰক্ষা আৰু আত্মনিৰ্ভৰশীলতা সুনিশ্চিত কৰিব বুলিও মন্ত্ৰালয়ে প্ৰকাশ কৰে।

০০০০

অহা ২৯ ছেপ্তেম্বৰত অনুষ্ঠিত হ'বলগীয়া ৰাজ্যিক পৰ্যায়ৰ নিযুক্তি আয়োগৰ তৃতীয় বৰ্গৰ দ্বিতীয় পৰ্যায়ৰ পৰীক্ষাৰ প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈছে। ১৫ ছেপ্তেম্বৰত প্ৰথম পৰ্যায়ৰ পৰীক্ষা অনুষ্ঠিত হোৱাৰ পাছত অহা ২৯ তাৰিখে পুৱা ৯ বজাৰ পৰা দিনৰ ১২ বজালৈ স্নাতক পৰ্যায়ৰ তৃতীয় বৰ্গৰ চাকৰিৰ আৰু বিয়লি ডেৰ বজাৰ পৰা চাৰে চাৰি বজালৈ ড্ৰাইভাৰ পদৰ বাবে তৃতীয় বৰ্গৰ পৰীক্ষা অনুষ্ঠিত হ'ব। আনহাতে, ২৭ অক্টোবৰত পুৱা ৯ বজাৰ পৰা দিনৰ ১২ বজালৈ চতুৰ্থ বৰ্গৰ মেট্ৰিক উত্তীৰ্ণ পৰ্যায়ৰ আৰু বিয়লি ডেৰ বজাৰ পৰা চাৰে চাৰি বজালৈ অষ্টম শ্ৰেণী পৰ্যন্ত উত্তীৰ্ণ চতুৰ্থ পদৰ বাবে নিযুক্তি পৰীক্ষা অনুষ্ঠিত হ'ব।

উল্লেখ্য যে ২৯ ছেপ্তেম্বৰৰ স্নাতক পৰ্যায়ৰ তৃতীয় বৰ্গৰ পদৰ বাবে ৫ লাখ ২৯ হাজাৰ ৯৮৯জন আৰু ড্ৰাইভাৰ পদৰ বাবে ২ লাখ ৪ হাজাৰ ৯১জন প্ৰাৰ্থী পৰীক্ষাত অৱতীৰ্ণ হ'ব। আনহাতে ২৭ অক্টোবৰৰ চতুৰ্থ বৰ্গৰ পৰীক্ষাত মেট্ৰিক উত্তীৰ্ণ পৰ্যায়ত ৮ লাখ ২৭ হাজাৰ ১৩০গৰাকী আৰু অষ্টম শ্ৰেণী পৰ্যন্ত উত্তীৰ্ণ পৰ্যায়ত ৫ লাখ ৫২ হাজাৰ দুগৰাকী প্ৰাৰ্থী পৰীক্ষাত অৱতীৰ্ণ হ'ব।

০০০০

মৰিগাওঁ জিলাৰ মৈৰাবাৰীত আৰক্ষীয়ে চাইবাৰ অপৰাধৰ সৈতে জড়িত থকাৰ অভিযোগত ৮ জন লোকক গ্ৰেপ্তাৰ কৰিছে। যোৱা নিশা মৰিগাওঁৰ অতিৰিক্ত আৰক্ষী অধীক্ষকৰ নেতৃত্বত মৈৰাবাৰী আৰু লাহৰিঘাটৰ বিভিন্ন অঞ্চলত অভিযান চলাই এই লোককেইজনক   গ্ৰেপ্তাৰ কৰা হয়। লোককেইজনৰ পৰা ভালেমান আপত্তিজনক নথিপত্ৰ জব্দ কৰা হৈছে।

০০০০

০০০০

বাংগালুৰুৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত আজি বাংলাদেশৰ বিৰুদ্ধে অনুষ্ঠিত দুখনীয়া টেষ্ট ক্রিকেট শৃংখলাৰ প্ৰথম দিনৰ খেলৰ অন্তত ভাৰতে ৬টা উইকেট হেৰুৱাই ৩৩৯ ৰান সংগ্ৰহ কৰে। ৰবিচন্দ্ৰন অশ্বিনে আজি তেওঁৰ ষষ্ঠটো টেষ্ট শতক সম্পূৰ্ণ কৰে। দিনটোৰ শেষলৈকে ১০২ ৰান আৰু ৰবীন্দ্ৰ জাডেজাই ৮৬ ৰান কৰি আউট নোহোৱাকৈ থাকে। আনহাতে যশস্বী জয়ছোৱালে ৫৬ ৰান আৰু ঋষভ পণ্টে ৩৯ ৰানৰ বৰঙণি আগবঢ়ায়। বাংলাদেশৰ হৈ হাছান মাহমুদে ৪টা উইকেট দখল কৰে।

০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগে অংশকালীন সংবাদদাতা হিচাপে বজালী, বিশ্বনাথ, ডিব্ৰুগড়, হোজাই, কামৰূপ, পশ্চিম কাৰ্বি আংলং, ধেমাজি আৰু কাছাৰ জিলাৰ বাবে আগ্ৰহী প্ৰাৰ্থীৰ পৰা আবেদন আহ্বান কৰিছে। আগ্ৰহী প্ৰাৰ্থীসকলে আকাশবাণীৰ ৱেৱছাইট www.newsonair.gov.in ত লগ ইন কৰি সবিশেষ তথ্য লাভ কৰাৰ লগতে আবেদন পত্ৰ ডাউনলোড কৰিব পাৰিব। প্ৰাৰ্থীসকলে নিজ হাতে নাইবা ডাকযোগে অহা ৩০ ছেপ্তেম্বৰৰ ভিতৰত প্ৰয়োজনীয় নথিপত্ৰসহ The Head of Office, Akashvani, Guwahati, Chandmari, Guwahati-781003 এই ঠিকনালৈ আবেদন-পত্ৰ প্ৰেৰণ কৰিব পাৰিব।

০০০০

সমাপ্ত